**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-MAR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। আজি বিয়লি ৩ বজা পৰ্যন্ত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব।

ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিত মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। দুগৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে অভিযোগ-প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত মনোনয়ন পত্ৰৰ পৰীক্ষা স্থগিত ৰখা শোণিতপুৰৰ ঢেকীয়াজুলি সমষ্টিৰ দুয়োগৰাকীৰে মনোনয়ন কালি বৈধ বুলি ঘোষণা কৰা হয়। ২৪ নম্বৰ বৰপেটা সমষ্টিত এখন মনোনয়ন পত্ৰ বাতিল কৰা হৈছে আৰু ৩ খন বৈধ বিবেচিত হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো সমষ্টিতে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা, বজালী আৰু মঙলদৈত বিজেপিৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি লামডিঙত দলীয় প্ৰাৰ্থী শিবু মিশ্ৰ আৰু হোজাইত দলীয় প্ৰাৰ্থী শিলাদিত্য দেৱৰ হৈ প্ৰচাৰত ভাগ লয়। ইয়াৰ আগেয়ে ডং শৰ্মাই নগাঁও বটদ্ৰৱা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাতো অংশ লয়।

বিজেপি আৰু কংগ্ৰেছ দলে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। ২৯ মাৰ্চ, ২ এপ্ৰিল আৰু ৭ এপ্ৰিলত গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

**বাইট (চি এম)**

কংগ্ৰেছেও কেইবাগৰাকীও তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

ডিব্ৰুগড় জিলাৰ ৬টা বিধানসভা সমষ্টিত শাসক-বিৰোধী দলে নিৰ্বাচন প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। নাহৰকটীয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী তৰংগ গগৈয়ে কালি টেঙানি, শালমাৰী অঞ্চলকে ধৰি কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। চাবুৱা-লাহোৱাল সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিনোদ হাজৰিকায়েও চাবুৱা, ভৰলোৱা অঞ্চলত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰেও দলীয় সমৰ্থকৰ সহযোগত কেইবাখনো গাঁৱৰ লগতে চাহ বাগান অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলাই। খোৱাং সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে সমষ্টিটোত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী প্ৰশান্ত ফুকনেও নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

০০০০০০

মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত পূব মাজুলী মহাবিদ্যালয়ত কালি ৰেগিং বিৰোধী এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত জিলা আইনসেৱা প্ৰাধিকৰণৰ আইন প্ৰতিৰক্ষা বিভাগৰ অধিবক্তা বৰ্ণালী চাৰিঙীয়া আৰু অধিবক্তা ৰুণজুন দলেই ছাত্ৰ-ছাত্ৰীসকলক ৰেগিঙৰ নেতিবাচক দিশ সন্দৰ্ভত বিশদ ব্যাখ্যা আগবঢ়ায়।

০০০০০০

শিৱসাগৰত নিৰ্বাচন নিকা আৰু সফলতাৰে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনে সকলোধৰণৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। আন্তঃগাঁথনি নিৰ্মাণ তথা উন্নীতকৰণ, বিভিন্ন নিৰ্বাচনী কোষ গঠন, পৰিচালনা আৰু বিভিন্ন পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান, নিৰ্বাচনী আচৰণ বিধিৰ কাৰ্যকৰীকৰণ আদি বিভিন্ন প্ৰস্তুতি চলাই থকা হৈছে। ইয়াৰ লগতে সাধাৰণ ভোটদাতাৰ লগতে বিশেষকৈ যুৱপ্ৰজন্ম আৰু নতুন ভোটদাতাসকলক ভোটদানৰ বাবে সজাগ আৰু উৎসাহিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনে প্ৰণালীবদ্ধ ভোটাৰ সাক্ষৰতা আৰু নিৰ্বাচনী অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০

ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰি নদীৰ মাজৰ ঢকুৱাখনাৰ চাৰিকৰীয়া নৈৰ পাৰৰ মহঘুলি চাপৰিৰ স্থায়ী বাকৰিত অহা ৮, ৯ আৰু ১০ মে’ত ফাট বিহুৰ আয়োজন কৰা হৈছে। ঢকুৱাখনা ৰাজহুৱা খেলপথাৰৰ সমীপৰ ফাট বিহু উদ্‌যাপন সমিতিৰ কাৰ্যালয় কালি অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিনেত্ৰীগৰাকীয়ে ফাট বিহু অসমৰ সংস্কৃতিক জগতৰ অনন্য আৰু আকৰ্ষণীয় অনুষ্ঠান বুলি উল্লেখ কৰে।

০০০০০০

**সমাপ্ত**